অধ্যায় ৬ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ২

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ চুটিগল্প
৬.৪ নাটক
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া চুটিগল্প সম্পর্কে সম্যক জ্ঞান অর্জন কৰিব
- অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া নাট্যকাৰ আৰু নাটক সম্পর্কে অৱগত হ'ব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পর্কে অধ্যয়ন কৰিলে। সেই অধ্যায়টোত অৱগত হ'ল যে ১৮৮৯ চনত প্রকাশিত *জোনাকী* কাকতখনক কেন্দ্র কৰিয়েই আমাৰ আলোচ্য যুগটোৰ আৰম্ভণি হৈছিল। এই সময়ছোৱাত অসমীয়া সাহিত্যৰ ক্ষেত্রখনত নতুন নতুন ধাৰাৰ সাহিত্য সৃষ্টি হ'বলৈ ধৰিছিল। তাৰে এটি উল্লেখযোগ্য ধাৰা কবিতা সম্পর্কে আপুনি পূর্বৱৰ্তী অধ্যায়টোত বহলাই অধ্যয়ন কৰিলে।

এই অধ্যায়টোত সেই সময়ছোৱাত আৰম্ভ হোৱা আন দুটি উল্লেখযোগ্য সাহিত্য বিধা চুটিগল্প আৰু নাটক সম্পর্কে বহলাই অধ্যয়ন কৰিব। অধ্যায়টোৰ অধ্যয়নে আপোনাক তদানীন্তন কালৰ চুটিগল্প আৰু নাটক সম্পর্কে সম্যক ধাৰণা প্রদান কৰিব।

৬.৩ চুটিগল্প

১৮৮৯ চনত কলকাতাৰ (তেতিয়াৰ কলিকতা) পৰা প্রকাশিত হোৱা *জোনাকী* আলোচনীৰ নামেৰেই অসমীয়া সাহিত্যলৈ নামি অহা এই নতুন ঢল তেতিয়াৰ সময়ত কলকতালৈ পঢ়িবলৈ যোৱা তৰুণ অসমীয়া চামৰ কেইগৰাকীমানে আঁকোৱালি ল'লে। তেওঁলোকৰ যত্নতে

আধুনিক অসমীয়া সাহিত্যৰ কেউটা দিশৰ উৎকর্ষ সাধন হৈছিল। ইয়াৰ ভিতৰত গল্প সাহিত্য অন্যতম। যিসকল অসমীয়া লেখকে গল্প সাহিত্যৰ ক্ষেত্রলৈ অৱিহণা যোগোৱাত আগভাগ লৈছিল, তেওঁলোকৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা অন্যতম।

লক্ষ্মীনাথ বেজবৰুৱা আছিল সমাজ সচেতন আৰু সংস্কাৰবাদী লেখক। তেওঁৰ গল্পত ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা বিংশ শতিকাৰ দ্বিতীয় দশকমানৰ মাজৰ অসমীয়া সমাজখনৰ ধর্ম, সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, দোষ-ত্রুটি আদিৰ লগতে অসমৰ গাঁও আৰু চহৰত বসবাস কৰা বিভিন্ন স্তৰৰ মানুহৰ সুখ-দুখ, প্রেম-প্রীতি, ক্ষোভ-বঞ্চনা, হর্ষ-বিষাদ আদিৰ নিখুঁত চিত্র প্রতিফলিত হৈছে। বেজবৰুৱাৰ একাংশ গল্পত তেওঁৰ সমকালীন সমাজখনৰ অবিচাৰ-অনাচাৰ, কুসংস্কাৰ-অন্ধবিশ্বাস, নীচতা, হীনতা, ভণ্ডামি, শঠতা আদি নানান দোষ-ত্রুটিৰ হাস্য ব্যংগাত্মক ৰূপায়ণ লক্ষ্য কৰিবলগীয়া। তেওঁৰ 'ভোকেন্দ্র বৰুৱা', 'মলক গুইন গুইন', 'নাঙলুচন্দ্র দাস', 'ধর্মধ্বজ ফয়চলা নবিছ' আদি গল্প এই শ্রেণীৰ অন্তর্ভুক্ত। আনহাতে তেওঁৰ আন একাংশ গল্পত মানুহৰ সুখ-দুখ, আশা-নিৰাশা, খং-ক্ষোভ, বেদনা-আর্তি, প্রেম-অপ্রেম আদি গভীৰ আন্তৰিকতা আৰু সংবেদনশীলতাৰে ৰূপায়িত হৈছে। 'বাপিৰাম', লম্বোদৰ ডেকা', 'জাতিৰামৰ জাত', 'জলকুঁৱৰী', নকওঁ' 'কাশীবাসী', 'ভদৰী' আদি এই শ্রেণী গল্পৰ উৎকৃষ্ট নিদর্শন। এনেবোৰ গল্পত বেজবৰুৱাৰ মানৱতাবোধ আৰু সহৃদয়তাৰ প্রকাশ স্পষ্ট। বেজবৰুৱা আছিল অসমীয়া বাচিক কলাৰ অন্তর্ভুক্ত সাধুকথাৰ সংগ্রাহক আৰু পুর্বকথক। সাধুকথাৰ সৈতে গভীৰ আত্মীয়তাৰ বাবেই হয়তো অসমীয়া চুটিগল্পৰ জনক গৰাকীয়ে তেওঁৰ কোনো কোনো গল্পৰ ৰীতি প্রকৃত সাধুকথাৰ আধাৰত গঢ়ি তুলিছে। অকল সেয়ে নহয়, তেওঁ এখন গল্প পুথিৰ নামকৰণো কৰিছে সাধুকথাৰ নামেৰে— *সাধুকথাৰ কুকি*। সেইদৰে 'ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ' গল্পটোকো তেওঁ বুলিছে 'এবেগতীয়া সাধু'। তেওঁৰ 'মূলা খোৱা বুঢ়া', 'যেনে কুকুৰ তেনে টাঙোন' আদি গল্পৰ গঠন-ৰীতি সাধুকথাধর্মী। কম কথাত সৰহ ভাব প্রকাশ কৰাটো চুটিগল্পৰ ধর্ম। কিন্তু বেজবৰুৱাৰ অতিকথনৰ দোষত তেওঁৰ একাংশ গল্প আংগিকৰ দিশৰ পৰা শিথিল হৈ পৰিছে। অৱশ্যে 'সেউতী', 'ভদৰী', 'বাপিৰাম', 'মুক্তি, 'জলকুঁৱৰী', 'কন্যা', 'কাশিবাসী', 'ধোঁৱাখোৱা' আদি গল্পক সীমিত পৰিসৰৰ ভিতৰত আধুনিক চুটিগল্পৰ কলা কৌশলেৰে প্রাণৱন্ত কৰি তুলিবলৈ তেওঁ সক্ষম হৈছে। বেজবৰুৱাৰ 'নিস্তাৰিণী দেৱী', 'ভুৰুকী বৌ', 'মাধৈমালতী', 'লম্বোদৰ ডেকা' আদি গল্প গ্রাম্য সমাজ আধাৰিত। এনেবোৰ গল্পত পৰম্পৰাগত অসমীয়া সমাজখনৰ আচাৰ-ৰীতি, বিশ্বাস-অবিশ্বাস, খাদ্যাখাদ্য, উৎসৱ-অনুষ্ঠান আদিৰ উল্লিখন, বর্ণন বিশেষভাবে মন কৰিবলগীয়া। সেইদৰে এনেবোৰ গল্পত চৰিত্রসমূহৰ চিত্রণতো তেওঁৰ অন্তর্মুখিতাৰো পৰিচয় পোৱা যায়। বেজবৰুৱাৰ কোনো কোনো গল্প ব্যংগাত্মক হোৱা বাবে সিবোৰৰ কলাত্মক আবেদন বিঘ্নিত হ'লেও অসমৰ সমাজ জীৱনৰ নির্ভুল চিত্র একোখনি সিবোৰত যথার্থভাবে প্রতিফলিত হৈছে আৰু তেওঁৰ গল্পৰ বৈশিষ্ট্যও সেইবোৰ চিত্রৰ মাজেদি প্রকাশিত হৈছে। বেজবৰুৱাৰ গল্পৰ আলোচনাৰ প্রসংগত ত্রৈলোক্যনাথ গোস্বামীয়ে দাঙি ধৰা মন্তব্য এটি এই ছেগতে উল্লেখ কৰিব পাৰি— "জীৱনৰ জটিলতা, অনুভূতিৰ গভীৰতা, মানৱৰ ক্ষুদ্রত্ব আৰু মহত্ত্ব বেজবৰুৱাৰ গল্পৰ

মাজেদি ফুটাই তোলাৰ আদৰ্শ নাই। তথাপি তেওঁৰ গল্প ৰসাল, মনোগ্ৰাহী। ভাষাৰ সাৱলীলতা আৰু হাস্যৰসৰ মাদকতাৰে তেওঁ পাঠকক আকৰ্ষণ কৰে।" বেজবৰুৱাৰ গল্প পুথি চাৰিখন— *সুৰভি*, *সাধুকথাৰ কুকি*, *জোনবিবি* আৰু *কেঁহোকলি* ।

বেজবৰুৱাৰ লগতে আন যি গৰাকী লেখকে গল্প লিখিবলৈ আৰম্ভ কৰিছিল, সেইগৰাকী হ'ল শৰৎ চন্দ্ৰ গোস্বামী। *গল্পাঞ্জলি*, *ময়না*, *বাজিকৰ* আৰু *পৰিদৰ্শন* — এই চাৰিখন তেওঁৰ গল্পপুথি। *পৰিদৰ্শন* খন মৰণোত্তৰভাৱে প্ৰকাশিত। অসমীয়া চুটিগল্পক এক বিশিষ্ট আয়তন দান কৰাৰ ক্ষেত্ৰত গোস্বামীৰ অৱদান নিঃসন্দেহে গুৰুত্বপূৰ্ণ। আংগিকৰ দিশৰ পৰা তেওঁৰ গল্প নিটোল। বেজবৰুৱাৰ দৰে গোস্বামীৰো সমাজ চেতনা আছিল মজ্জাগত। কিন্তু সমাজ চেতনাই তেওঁক বেজবৰুৱাৰ দৰে ব্যংগবাণ হাতত তুলি ল'বলৈ প্ৰেৰণা নোযোগালে। গোস্বামীৰ দৃষ্টিভংগী সহানুভূতিশীল। দুখ-দুৰ্দশাগ্ৰস্ত আৰু অসহায় মানুহৰ প্ৰতি গভীৰ সহানুভূতি তেওঁৰ সৰহ সংখ্যক গল্পৰ মুখ্য উপজীব্য। গোস্বামী আছিল অদৃষ্টবাদী। মানুহৰ দুখ-দুৰ্দশাৰ কাৰণ, তেওঁ অদৃষ্টৰ পৰিহাস বুলি উপলব্ধি কৰিছিল। তেওঁৰ কোনো কোনো গল্পত অদৃষ্টবাদী চেতনাৰ প্ৰভাৱ স্পষ্ট। জৈৱিক কামনা-বাসনাৰ আধাৰতো গোস্বামীয়ে গল্প লিখিছে। 'বনৰীয়া প্ৰণয়', 'সন্ন্যাসিনী', 'নদৰাম' আদি তেওঁৰ তেনে বিষয়ৰে গল্প। এনেবোৰ গল্পত চৰিত্ৰৰ উদাৰতা, মহত্ত্ব, সততা আদি প্ৰকাশ পালেও অনুভূতিৰ গভীৰতা আৰু অন্তৰ্দৃষ্টিৰ অভাৱত সিবোৰ সংবেদনশীল নহ'ল। বেজবৰুৱাৰ দৰে গোস্বামীৰো কোনো কোনো গল্পত অস্বাভাৱিক পৰিস্থিতি চিত্ৰিত হৈছে। এনে চিত্ৰণে তেওঁৰ গাল্পিক আবেদন হ্ৰাস কৰিছে। গোস্বামীৰ ভাষা সহজ-সৰল। উপমাদি অলংকাৰ প্ৰয়োগেৰে ভাষা সমৃদ্ধ কৰাৰ চেষ্টা কমেই চকুত পৰে। যি কি নহওক অসমীয়া চুটিগল্পক এটি বিশিষ্ট মাত্ৰা দান কৰি তাক গতিশীলতা দান কৰাৰ ক্ষেত্ৰত বেজবৰুৱাৰ পিছতেই তেওঁৰ স্থান।

ঔপন্যাসিক হিচাপে খ্যাত দণ্ডিনাথ কলিতায়ো গল্প সাহিত্যৰ বিকাশত অৰিহণা যোগাইছে। তেওঁ শৰৎ চন্দ্ৰ গোস্বামীৰ সমসাময়িক। কলিতাৰ *সাতসৰী* শীৰ্ষক গল্পপুথিখনত সাতটা গল্প সন্নিৱিষ্ট হৈছে। তেওঁৰ গল্পৰ প্ল'ট অজটিল আৰু উপস্থাপনো পোনপটীয়া। কলিতাও সমাজ-সচেতন লেখক। সংস্কাৰবাদী আদৰ্শৰে উদ্বুদ্ধ হৈ তেৱোঁ গল্পৰচনাত আত্মনিয়োগ কৰিছিল; কিন্তু গল্পৰ মাজেদি এনে আদৰ্শৰ চেষ্টা কলাত্মক নহৈ পোনপটীয়া হোৱা হেতুকে তেওঁৰ গল্পৰ আবেদন প্ৰভাৱশালী আৰু ৰমণীয় নহ'ল। প্ৰাৰম্ভিক স্তৰত, অসমীয়া গল্পক পৰিপুষ্ট কৰি তোলাত নকুল চন্দ্ৰ ভূঞা, সূৰ্যকুমাৰ ভূঞা আৰু লক্ষ্মীনাথ ফুকনৰ অৰিহণাও লেখত ল'বলগীয়া।

নকুল চন্দ্ৰ ভূঞাৰ গল্প *বাঁহী* আৰু *চেতনাত* প্ৰকাশ পাইছিল। ভূঞাৰ গল্পত কোনো সমস্যা উত্থাপিত হোৱা নাই। মানুহৰ জীৱনত সচৰাচৰ ঘটি থকা ঘটনাৰ আধাৰত তেওঁ গল্প ৰচনা কৰে। ঘটনা নিৰ্বাচনতো তেওঁৰ সজাগ সামাজিক চেতনাৰ পৰিচয় পোৱা নাযায়। সেয়েহে তেওঁৰ কোনো কোনো গল্পৰ কাহিনীৰ সৰসতা কম। তদুপৰি গল্পৰ আংগিকৰ প্ৰতিও তেওঁ বিশেষ লক্ষ্য ৰখা নাছিল। ফলস্বৰূপে, তেওঁৰ গল্পত কলাত্মক সৌন্দৰ্য ফুটি নুঠিল। অৱশ্যে কথনভংগীৰ সৰলতা আৰু গাঁৱলীয়া সাধাৰণ শ্ৰেণীৰ লোকৰ প্ৰতি সহানুভূতিশীলতাৰ পৰিচয় তেওঁৰ গল্পত সুস্পষ্ট। *চোৰাংচোৰাৰ চ'ৰা*, *জোনোৱালী* আৰু *গল্পৰ শৰাই* তেওঁৰ প্ৰকাশিত গল্পপুথি। সূৰ্যকুমাৰ ভূঞাৰ

দ্বাৰা ৰচিত গল্পৰ সংখ্যা সৰহ নহয়। তেওঁৰ প্ৰকাশিত *পঞ্চমী*ত পাঁচটা গল্প সন্নিৱিষ্ট হৈছে। ভূঞাই সমাজ সংস্কাৰৰ আদৰ্শ আগত ৰাখি গল্প ৰচনাত হাত দিয়া নাছিল। সেয়েহে, তেওঁৰ গল্পত সংস্কাৰবাদী ভাবনাৰ প্ৰকাশ লক্ষ্য কৰা নাযায়। মানবীয় প্ৰেম প্ৰীতি, ঈৰ্ষা-অসূয়া, স্নেহ-দ্বন্দ্ব, আবেগ, অনুভূতি আদিৰ প্ৰকাশেই তেওঁৰ গল্পৰ প্ৰধান উপজীব্য। লক্ষ্মীনাথ ফুকনৰ গল্প ৰচনাৰ কাল দীঘলীয়া। *মালা, ওফাইদাং, মৰমৰ মাধুৰী, আশাত উৎফুল্ল মন* আৰু *আনন্দে নধৰা হিয়া* তেওঁৰ প্ৰকাশিত গল্পপুথি। ফুকনৰ গল্পৰ কথনৰীতি আকৰ্ষণীয়, চৰিত্ৰসমূহ জীৱন্ত। তেওঁৰ কোনো গল্পত অন্তঃসাৰশূন্য অভিজাত শ্ৰেণীটোক ব্যংগ-বিদ্ৰূপ বাণেৰে ক্ষত-বিক্ষত কৰাৰ চেষ্টা আছে আৰু আন একাংশ গল্পত নিম্নবিত্ত, অভাৱ-অনাটনগ্ৰস্ত লোকৰ চৰিত্ৰ সহৃদয়তাৰে চিত্ৰিত হৈছে। ফুকন সংযমী গল্পকাৰ। গল্পৰ কলা-সৌন্দৰ্য সৃষ্টিত তেওঁ সফলতা লাভ কৰিছে।

এই গল্পকাৰসকলৰ হাততে অসমীয়া চুটিগল্পই জন্মৰ প্ৰাথমিক স্তৰৰ পৰা বিকশিত ৰূপ লাভ কৰিছিল আৰু বিকাশৰ গতিপথত লক্ষ্মীনাথ বেজবৰুৱা সৃষ্টি প্ৰেৰণাৰ সুঁতিস্বৰূপ আছিল। তেওঁৰ কাপ নিসৃত গল্পসমূহে সমসাময়িক অসমীয়া সমাজখনৰ লগতে ব্যক্তি মনৰ ডাঠ তৰপবোৰ আঁতৰাবলৈ প্ৰয়াস কৰিছিল। শৰৎ চন্দ্ৰ গোস্বামী, নকুল চন্দ্ৰ ভূঞা আদিৰ গল্পৰ মাজতো সমাজ জীৱনৰ আলোচনা আৰু ব্যক্তিৰ আচৰণৰ বিশ্লেষণৰ মাজেদি সংস্কাৰকামী চেতনাৰ উদ্ৰেক হৈছিল। সংক্ষেপতে ক'বলৈ হ'লে জোনাকী কাকতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা গল্পকাৰসকলৰ গল্পত পৰিলক্ষিত হোৱা বৈশিষ্ট্যসমূহ হৈছে—

- সমাজ জীৱনৰ মনোজ্ঞ ৰূপ।
- প্ৰকৃতি জগতৰ মনোমোহা চিত্ৰণ আৰু স্থান বিশেষে প্ৰকৃতি জগতৰ বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰদৰ্শনৰ মাজেদি মানুহৰ অস্থিৰ মনা চিন্তাৰ লগত পটুৱৈক পৰিচিত কৰোৱা।
- প্ৰেমৰ মহত্ত্ব প্ৰকাশ।
- মানবতাবাদৰ স্ফুৰণ।
- সমাজৰ তথাকথিত অভিজাত শ্ৰেণীটোৰ ভণ্ডামি আৰু শঠতাৰ নিৰ্মোহ চিত্ৰণ।
- সমাজৰ সাধাৰণ শ্ৰেণীটোৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগী।
- নাৰীৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগী। জোনাকী যুগৰ গল্পকাৰ কেইগৰাকীৰ ৰচনাত নাৰী জীৱনৰ বৰ্ণাঢ্য ৰচনা প্ৰকাশ পাইছে। বেজবৰুৱাৰ ভদৰী, পাত্‌মুগী আদি সেই সময়ছোৱাৰ গল্পত উদ্ভাসিত হোৱা কেইটামান উল্লেখযোগ্য নাৰী চৰিত্ৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া চুটিগল্পৰ জনক কোন?

.....

প্ৰশ্ন নং ২ ঃ *ময়না* আৰু *বাজীকৰ* এই গল্পপুথি দুখনৰ ৰচক কোন?

.....

জোনাকী কাকতৰ পাছতে প্ৰকাশ পোৱা *আৰাহন* আলোচনীয়ে অসমীয়া গল্প সাহিত্যক এক বিশিষ্ট ৰূপ প্ৰদান কৰিছিল। ১৯২৯ চনত কলিকতাত *আৰাহন* আলোচনীয়ে জন্ম লাভ কৰে। অসমীয়া গল্প সাহিত্যৰ সমৃদ্ধি আৰু বিকাশ সাধনত *আৰাহন*ৰ অৱদান অবিস্মৰণীয়। *জোনাকী* ত জন্ম লাভ কৰা অসমীয়া চুটিগল্পই *আৰাহন*ৰ জৰিয়তে এক অভিনৱ মাত্ৰা লাভ কৰে। বিষয়বস্তু, উপস্থাপন ৰীতি, বিন্যাস প্ৰণালী, চৰিত্ৰ চিত্ৰণ, ভাষা-প্ৰয়োগ আদিৰ ক্ষেত্ৰত *আৰাহন*ৰ গল্পই নতুন দিগন্ত সূচনা কৰে। আলোচক সত্যেন্দ্ৰ নাথ শৰ্মাৰ ভাষাত— "ৰোমাণ্টিক ভাববিলাসৰ উন্মাদনা, কল্পনাৰ মুক্ত গতি, ভাষাৰ সূক্ষ্ম ব্যঞ্জনা, মনস্তাত্ত্বিক বিশ্লেষণ আৰু প্ৰগতিশীল ৰীতি *আৰাহন*ৰ গল্পকাৰসকলৰ ৰচনাত দেখা যায়। পাশ্চাত্য ভাবধাৰা আৰু যুগোপযোগী আদৰ্শৰ প্ৰভাৱত এই সময়ছোৱাৰ গল্পকাৰসকল সংস্কাৰমুক্ত আছিল। সেয়েহে তেওঁলোকৰ গল্পত মুক্ত চিন্তা আৰু বিলাসী কল্পনাৰ সুৰ বাজি উঠিল। যৌন প্ৰবৃত্তি আৰু মানৱীয় কামনা-বাসনাও এই সময়ৰ গল্পৰ মাজেদি উক দি উঠিল যদিও সেইবোৰ নান্দনিক সৌন্দৰ্যেৰে প্ৰোজ্জ্বল হোৱা হেতুকে পাঠক সমাজৰ দ্বাৰা সমাদৃত হ'ল।" এই সময়ৰ গল্পকাৰসকলে ব্যক্তি স্বাতন্ত্ৰ্যৰ ওপৰত সম্পূৰ্ণ আস্থা স্থাপন কৰিছিল, ইয়াৰ ফলস্বৰূপে তেওঁলোকৰ গল্পত ব্যক্তিজীৱনৰ নানান সমস্যা-সংঘাত মূৰ্ত হৈ উঠিল। উল্লেখযোগ্য যে *আৰাহান*ৰ গল্পতে জাৰ্মান মনোবিজ্ঞানী ফ্ৰয়েডৰ মনস্তত্ত্বৰ লগতে ইয়ুং, এড্‌লাৰ আদি পণ্ডিতৰ আদৰ্শৰ সংঢালনি প্ৰভাৱ পোনতে অনুভূত হ'ল। তদুপৰি ফৰাচী গল্পকাৰ মোপাছাঁ আৰু ৰুচ গল্পকাৰ চেক্‌খভৰ গল্পৰ ৰীতি-প্ৰকৃতিকো এই সময়ৰ অসমীয়া গল্পকাৰসকলৰ কোনো কোনোৱে আদৰি আনিলে। এনেদৰে *জোনাকীত* উদ্ভৱ হোৱা গল্পসাহিত্যই *আৰাহান*ৰ জৰিয়তে প্ৰতিষ্ঠা লাভ কৰিলে।

*আৰাহান*ত গল্প লিখি সুপ্ৰতিষ্ঠিত হোৱা গল্পকাৰসকলৰ ভিতৰত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, হলিৰাম ডেকা, লক্ষ্মীধৰ শৰ্মা, মহীচন্দ্ৰ বৰা, বীণা বৰুৱা, হেম বৰুৱা, লক্ষ্মীধৰ শৰ্মা, ত্ৰৈলোক্যনাথ গোস্বামী, ৰমা দাস, ৰাধিকা মোহন গোস্বামী, কৃষ্ণ ভূঞা, দীননাথ শৰ্মা, জমিৰুদ্দিন আহমেদ, প্ৰবোধ চন্দ্ৰ গোস্বামী, গোবিন্দ চন্দ্ৰ পৈৰা আদিৰ নাম উল্লেখযোগ্য।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে কলা-কৌশলৰ প্ৰতি বিশেষ দৃষ্টি নৰখাকৈ গল্প ৰচনাত প্ৰবৃত্ত হোৱা হেতুকে তেওঁৰ সৰহ সংখ্যক গল্পই চুটিগল্প ৰচনাৰ ৰীতিৰ বিশিষ্টতা ৰক্ষা কৰিব পৰা নাই। আদি ৰস সৃষ্টিয়েই যেনিবা চৌধুৰীৰ গল্পৰ মুখ্য উপজীব্য। গল্পত চিত্ৰিত নিৰ্যাতিত, অসহায় পুৰুষ-নাৰী চৰিত্ৰসমূহৰ প্ৰতি তেওঁৰ সহানুভূতি আছে, কিন্তু অধিক সংখ্যক গল্পই কাহিনীপ্ৰধান হোৱাত চৰিত্ৰসমূহ নিষ্প্ৰভ যেন হৈ পৰিছে। তেওঁৰ কোনো কোনো গল্পৰ চৰিত্ৰই সামাজিক প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈ মানসিক যাতনা ভুগিছে যদিও সেইবিলাকে বিদ্ৰোহাত্মক দৃষ্টিভংগী গ্ৰহণ কৰা নাই। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে তেওঁৰ গল্পত প্ৰচলিত আচাৰ-নীতি, বিশ্বাস-অবিশ্বাস, সন্দেহ-সংশয় আদিৰ চিত্ৰণ-বৰ্ণনৰ সংযোগত সমকালীন সমাজ জীৱনৰ নানান দিশ ফুটাই তুলিছে আৰু এই ক্ষেত্ৰত তেওঁ সাফল্যও অৰ্জন কৰিছে। *বীণাৰ ঝংকাৰ* আৰু *নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প* তেওঁৰ প্ৰকাশিত গল্প সংকলন। তেওঁৰ আন ভালেমান ৰচনা *আৰাহন*ৰ পাতে পাতে সিঁচৰতি হৈ আছে। হলিৰাম ডেকাৰ গল্পসমূহ *আৰাহন*ৰ পাততে সিঁচৰতি হৈ আছে। গল্পৰ কলা-কৌশলৰ

প্ৰতি সম্যক দৃষ্টি ৰাখি ৰচনা কৰা তেওঁৰ গল্পসমূহ নিটোল। ব্যক্তিৰ জৈৱিক বাসনাৰ আধাৰত তেওঁ কেইবাটাও গল্প ৰচনা কৰিছে, যদিও সেইবোৰত ব্যক্তিমনৰ দ্বন্দ্ব ফুটি উঠা নাই। ডেকাই তেওঁৰ একাংশ গল্পত হাস্যৰস আৰু ব্যংগৰ সমাবেশ ঘটাইছে আৰু এনে সমাবেশে সেইবিলাক গল্পৰ কথনভংগী আকৰ্ষণীয় কৰি তুলিছে। হলিৰাম ডেকাই গল্পত বৰ্ণিত ঘটনা বা চৰিত্ৰৰ অভ্যন্তৰত প্ৰবেশৰ চেষ্টা নকৰে। সাৱলীল ভাষাৰে কোনো ঘটনা বা চৰিত্ৰ ওপৰোৱাকৈ তুলি ধৰাটোৱেই যেনিবা তেওঁৰ গল্প ৰচনাৰ উদ্দেশ্য। ত্ৰৈলোক্যনাথ গোস্বামীয়ে ক'বৰ দৰে— "তেওঁৰ গল্পৰ মাজত এটা পাতল সংগীত ধ্বনি বাজি আছে। এই ধ্বনি মধুৰ, কিন্তু ক্ষণস্থায়ী।" লক্ষ্মীধৰ শৰ্মাৰ প্ৰকাশিত গল্পপুথি *ব্যৰ্থতাৰ দান*। ইয়াত সন্নিৱিষ্ট হোৱা গল্পকেইটাৰ উপৰি তেওঁৰ ভালে সংখ্যক গল্প *আৱাহন* আৰু অন্যান্য আলোচনীৰ পাতত পৰি আছে। লক্ষ্মীধৰ শৰ্মাৰ সৃজনশীল প্ৰতিভা আছিল অবিস্মৰণীয়, কিন্তু সেই প্ৰতিভা সম্যকভাবে পৰিস্ফুটিত নৌহওঁতেই মহাকালে তেওঁক হৰণ কৰি নিলে। শৰ্মাৰ গল্পতো জৈৱিক সমস্যা পৰিস্ফুটিত হৈছে। তেওঁৰ একাংশ গল্পৰ চৰিত্ৰৰ মানসিক সংঘাতৰ ৰূপায়ণ আকৰ্ষণীয়। চিৰাচৰিত ৰীতি-নীতি আৰু আচৰণৰ বিৰুদ্ধে বিদ্রোহাত্মক দৃষ্টিভংগীৰ পৰিচয় তেওঁৰ কোনো গল্পত স্পষ্ট। শৰ্মাৰ গল্প কোৱাৰ ৰীতি পোনপটীয়া, ভাষা সাৱলীল। তেওঁৰ 'চিৰাজ' গল্পৰ নায়ক চিৰাজৰ প্ৰতিষ্ঠা কালজয়ী। মহীচন্দ্ৰ বৰাৰ গল্পত সামাজিক অনাচাৰ, নিৰ্যাতন, অৱহেলা আৰু অনাদৰেৰে পীড়িত নৰ-নাৰীৰ প্ৰতি তেওঁৰ সহানুভূতিশীলতাৰ পৰিচয় পোৱা যায়। বৰায়ো সমাজ-সংস্কাৰৰ উদ্দেশ্যে ব্যংগবাণ হাতত তুলি লৈছে। সেই পাট বাণ হাস্যৰসেৰে সিক্ত। তেওঁৰ গল্পৰ ভাষা সহজ-সৰল আৰু সাৱলীল। *উকীলৰ জন্ম ৰহস্য* বৰাৰ প্ৰকাশিত গল্পপুথি।

বীণা বৰুৱা (বিৰিঞ্চি কুমাৰ বৰুৱা) ৰোমাণ্টিক গল্পকাৰ হিচাপে প্ৰতিষ্ঠিত। প্ৰেম-প্ৰীতিৰ আধাৰতে তেওঁ সৰহভাগ গল্প ৰচনা কৰিছে। বৰুৱাৰ ৰুচি মাৰ্জিত। প্ৰেমৰ চিত্ৰ অংকনত তেওঁৰ এনে ৰুচিৰ পৰিচয় সুস্পষ্ট। বৰুৱাৰ দ্বাৰা চিত্ৰিত চৰিত্ৰসমূহ বাস্তৱানুগ; কিন্তু সিবিলাকৰ মানসিক বিশ্লেষণত তেওঁ বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। বৰুৱাই গ্ৰাম্য পটভূমিতো গল্প ৰচনা কৰিছে। 'আঘোণী বাই' গল্পত চিত্ৰিত গ্ৰাম্যজীৱনৰ ছবি প্ৰাণৱন্ত আৰু সংবেদনশীল। বীণা বৰুৱাৰ ভাষা আৰু কথনভংগী প্ৰাঞ্জল। হেম বৰুৱাৰ প্ৰকাশিত গল্পপুথি তিনিখন— *চপনীয়া, নৱগ্ৰহ* আৰু *মোৰ ঘৰখন*। *চপনীয়াত* সন্নিবিষ্ট কাহিনী কেইটামানত চুটিগল্পৰ ৰীতিগত কলা-কুশলতাৰ প্ৰয়োগ ঘটিছে যদিও সিবিলাক সাৰ্থক গল্পৰ শাৰীলৈ উঠা নাই। তেওঁৰ গল্পত বাস্তৱ অভিজ্ঞতাৰ মনোৰম বিৱৰণ দাঙি ধৰা হৈছে। 'চপনীয়া' গল্পত গাঁৱলীয়া পৰিবেশৰ চিত্ৰ জীৱন্ত ৰূপত চিত্ৰিত হৈছে। 'জহৰা' গল্পত কেঁহদৈৰ যৌন বাসনাৰ ৰূপায়ণত নগ্নতা পৰিলক্ষিত হয়। ত্ৰৈলোক্যনাথ গোস্বামীৰ প্ৰকাশিত গল্পপুথি পাঁচখন— *অৰুণা, মৰীচিকা, শিল্পীৰ জন্ম, জীৱনৰ জীয়াজুই* আৰু *গল্পসংগ্ৰহ*। গোস্বামীৰ গল্পত নিপীড়িত নিৰ্যাতিত, শোষিত, বঞ্চিত পুৰুষ-নাৰী চৰিত্ৰ সহানুভূতিৰে অংকিত হৈছে। তেওঁৰ কোনো কোনো গল্পৰ মাজেদি প্ৰকাশ পাইছে সমাজত প্ৰচলিত কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰ প্ৰতি গোস্বামীৰ বিদ্রূপাত্মক দৃষ্টিভংগী। গোস্বামীৰ গল্প বাস্তৱধৰ্মী। চৰিত্ৰসমূহ স্পষ্ট আৰু সবল। তেওঁৰ গল্পৰ উপস্থাপন ৰীতি পোনপটীয়া। ভাষা অনাড়ম্বৰ কিন্তু সৰস। কোনো কোনো

গল্পত বুদ্ধিনিষ্ঠ হাস্যৰস আৰু বক্রাঘাতৰ ছিটিকনিও পৰিছে। তেওঁৰ 'অৰুণা', 'চাকৰি' আদি গল্পত ৰোমাণ্টিকতাৰ আৱেশ লক্ষ্য কৰিবলগীয়া। গোস্বামীৰ 'দুটকীয়া নোট', 'পূজাৰ গৰাহত নীৰৱ কবি ডাঃ শইকীয়া', 'কণ্ট্রোলৰ চেনী' আদি গল্পত মহাযুদ্ধকালীন অসমীয়া সমাজ জীৱনৰ বাস্তৱময় চিত্রৰ প্রতিফলন প্রাণৱন্ত। গোস্বামী সংযমী গল্পকাৰ। বিক্ষিপ্ততাই তেওঁৰ কোনো এটা গল্পৰ কলা সৌন্দর্যকে হানি কৰা নাই।

ৰমা দাস ৰোমাণ্টিক গল্পকাৰ।*ৰমা দাসৰ শ্রেষ্ঠ গল্প*, *জাহ্নৱী* আৰু *বর্ষা যেতিয়া নামে*— এই তিনিখন তেওঁৰ প্রকাশিত গল্পপুথি। তদুপৰি তেওঁৰ ভালেসংখ্যক গল্প আলোচনীৰ পাততো পৰি আছে। ৰমা দাশৰ গল্প কোৱাৰ এটা নিজস্ব শৈলী আছে। কল্পনাৰ আধিক্য তেওঁৰ গল্পৰ মন কৰিবলগীয়া বিশেষত্ব। গল্পৰ চৰিত্রক সংবেদনশীল ৰূপত প্রকাশ কৰাৰ দক্ষতা তেওঁৰ আছে, কিন্তু চৰিত্র চিত্রণত সাধাৰণতে বিচিত্রতাৰ অভাৱ লক্ষ্য কৰা যায়। গল্পকাৰ ৰূপে দাসৰ প্রতিভা এটা নির্দিষ্ট বৃত্তৰ পৰিধিৰ মাজত আৱর্তিত হৈ ৰ'ল। গল্পৰ মাজেদি কোনো গভীৰ তত্ত্ব প্রকাশৰ চেষ্টা তেওঁৰ নাই। অৱশ্যে সাৱলীল প্রকাশভংগী আৰু সংহত কল্পনাৰ বাবে তেওঁৰ গল্পই পাঠকৰ মন জয় কৰে। ঔপন্যাসিক হিচাপে খ্যাত ৰাধিকা মোহন গোস্বামীৰ দ্বাৰা ৰচিত কেইবাটাও গল্প আলোচনীত প্রকাশ পাইছিল। তেওঁৰ গল্পৰ মাজেদি সমাজ-সচেতনতা আৰু আদর্শবাদী দৃষ্টিভংগী পৰিস্ফুট হৈছে। তেওঁৰ কোনো কোনো গল্পত অর্থনৈতিক বৈষম্যৰ স্বৰূপ আৰু অভাৱগ্রস্ত লোকৰ হা-হুমুনিয়াহ সংবেদনশীলতাৰে ৰূপায়িত হৈছে। গোস্বামীৰ গল্প-চৰিত্র বাস্তৱ। চৰিত্রৰ মানসিকতাৰ বিশ্লেষণৰ চেষ্টাও তেওঁ কোনো কোনো গল্পত কৰিছে। 'ষ্টেট্ ট্রেন্সপোর্ট', 'নিয়তি' আদি গল্পত অভাৱগ্রস্ত লোকৰ জীৱনৰ কাৰুণ্যৰ চিত্র মূর্ত হৈ উঠিছে। দীননাথ শর্মাৰ *কল্পনা আৰু বাস্তৱ*, *দুলাল*, *কোৱাভাতুৰীয়া ওঁঠৰ তলত*, *পোহৰ* আদি গল্পপুথি প্রকাশিত হৈছে। শর্মাই প্রাত্যহিক জীৱনৰ সাধাৰণ ঘটনাক গাল্পিক ৰূপ দিবৰ প্রসায় কৰিছে। তেওঁৰ গল্পত সাধাৰণতে ঘটনাৰ মাত্রাধিক্য লক্ষ্য কৰা দেখা যায়। তেওঁ গল্পৰ চৰিত্রসমূহৰ অন্তর্জীৱনত প্রবেশৰ চেষ্টা নকৰে। স্থূল ৰূপত চৰিত্রসমূহক চিত্রিত কৰাটোৱেই যেন তেওঁৰ উদ্দেশ্য। অৱশ্যে বৈচিত্র্যপূর্ণ চৰিত্রৰ সমাবেশ ঘটাবলৈ তেওঁ সততে যত্নবান। শর্মাৰ গল্পৰ ভাষা সৰল, অথচ মাধুর্যপূর্ণ। তেওঁৰ কোনো কোনো গল্প ৰোমাণ্টিক ভাবাপন্ন। এই সময়ছোৱাৰ অন্যতম প্রতিভাশালী গল্পকাৰ কৃষ্ণ ভূঞাৰ প্রকাশিত গল্প পুথি *ফুল আৰু জাবৰ*। কলা-কৌশলেৰে সৈতে বিষয়বস্তুৰ সংগতি ৰক্ষা কৰি গল্প লিখাৰ কৌশল ভূঞাই জানে। বর্ণনাৰ সংযম, ভাষাৰ সাৱলীলতা আৰু অভিজ্ঞতাৰ বিস্তৃতি আৰু গভীৰতাৰ ছাপ তেওঁৰ গল্পত লক্ষ্য কৰিব পাৰি। প্রবোধ চন্দ্র গোস্বামীৰ গল্পতো বাস্তৱ অভিজ্ঞতাৰ ছাপ আছে। আধুনিক মধ্যবিত্ত শ্রেণীৰ মানসিকতা তেওঁৰ গল্পৰ মাজেদি উদ্ভাসিত হৈছে। তেওঁৰ ভাষা প্রাঞ্জল, অলংকাৰবিহীন। *বকুল যেতিয়া সৰে* গোস্বামীৰ প্রকাশিত গল্পপুথি। জমিৰুদ্দিন আহমেদৰ *জেৰিণা* আৰু *আন্ধাৰ নিশাৰ জুই* নামৰ দুখন গল্পপুথি প্রকাশ পাইছে। নিপীড়িত, দৰিদ্রজনৰ প্রতি সহানুভূতি তেওঁৰ গল্পৰ ঘাই উপজীব্য। উমাকান্ত শর্মাৰ *ঘূৰণীয়া পৃথিৱীৰ বেঁকা পথ* আৰু *উকা এটা মন*, দুখন প্রকাশিত গল্পপুথি। চৰিত্রৰ অন্তর্দ্বন্দ্ব ফুটাই তোলাৰ চেষ্টা শর্মাৰ গল্পত পৰিলক্ষিত হয়। তীর্থনাথ শর্মাই নির্মলা দেবী ছদ্মনামত ৰচনা কৰা কেইটামান গল্প *আৰাহনত*

প্ৰকাশ পাইছিল। তেওঁৰ প্ৰকাশিত গল্প-পুথি নাই। সেই সময়ছোৱাৰ অন্যান্য গল্পকাৰ যেনে— ইন্দিবৰ গগৈ, সদানন্দ দাস, প্ৰেমনাৰায়ণ দত্ত, জগদীশ মেধি, ৰায়হান শ্বাহ, মুনীন বৰকটকী, লীলা দেবী, হৰিপ্ৰসাদ গোৰ্খাৰায় প্ৰভৃতি গল্পকাৰসকলৰ অৱদানেও অসমীয়া চুটিগল্পৰ বিকাশ-বিস্তৃতিত সহায় কৰিছে। সেইসকলৰ প্ৰতিভাও নিঃসন্দেহে প্ৰশংসাযোগ্য।

আৱাহন আলোচনীৰ পিছত *সুৰভি* আৰু *জয়ন্তী* নামৰ আন দুখন আলোচনীও প্ৰকাশিত হৈছিল। দ্বিতীয় মহাসমৰৰ আগলৈকে অসমীয়া চুটিগল্পৰ সমৃদ্ধি সাধনত উক্ত দুয়োখন আলোচনীৰ অৱদানো আওকাণ কৰিব নোৱাৰি।

অৱশ্যে সেই সময়ছোৱাত প্ৰকাশিত হোৱা কাকত-আলোচনীসমূহৰ ভিতৰত *আৱাহনৰ* অৱদানেই সৰ্বাধিক আৰু সমসাময়িক অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিৰ দিশ নিৰ্ণয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ইতিমধ্যে আলোচনা কৰি অহা আৱাহন যুগৰ গল্পকাৰসকলৰ ৰচনাৰ মাজত কেতবোৰ বিশেষ বৈশিষ্ট্য ফুটি উঠা পৰিলক্ষিত হয়। তেওঁলোকৰ গল্প-ৰচনাত ফুটি উঠা সেই বৈশিষ্ট্যসমূহকে সামগ্ৰীকভাৱে আৱাহন যুগৰ গল্পকৃতিৰ বৈশিষ্ট্যৰূপে চিহ্নিত কৰিব পাৰি। সেই বৈশিষ্ট্যসমূহ হৈছে ক্ৰমে—

- বিংশ শতিকাৰ প্ৰাৰম্ভিক দশক কেইটাত ভাৰতীয় সমাজ জীৱনক গভীৰভাৱে প্ৰভাৱিত কৰা ভাৰতৰ জাতীয় আন্দোলনে আৱাহন কৰি অনা ন ন চেতনাই সমসাময়িক অসমীয়া গল্পকাৰসকলকো প্ৰভাৱিত কৰিছিল।
- সেই চেতনাৰ লগত সংস্কাৰবাদী চিন্তা জড়িত হৈ আছে। সেই সংস্কাৰবাদী চিন্তাই সমসাময়িক গল্পকাৰ, যেনে— লক্ষ্মীধৰ শৰ্মা, হলিৰাম ডেকা আদিৰ গল্পত প্ৰাণ পাই উঠিছিল।
- মুক্তিৰ উন্মাদনা আৰু কল্পনাৰ স্বতন্ত্ৰতা আৱাহন যুগ গল্পৰ এটা অন্যতম বৈশিষ্ট্য।
- নতুন দৃষ্টিকোণৰ পৰা জীৱনক পৰ্যালোচনা কৰাৰ প্ৰয়াস প্ৰায় ভাগ গল্পকাৰৰ ৰচনাত ফুটি উঠিছিল।
- বিশ্ব যুদ্ধৰ পৰোক্ষ প্ৰভাৱৰ ফলত সমাজ জীৱনত দেখা দিয়া গৰাখহনীয়া আৰু লগতে মানৱীয় মূল্যবোধৰ গৰাখহনীয়া আৱাহন যুগৰ গল্পৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য।
- সমসাময়িক বিশ্ব সাহিত্যৰ পটভূমিত জার্মান মনোবৈজ্ঞানিক ফ্ৰয়দ, ফৰাচী গল্পকাৰ মোপাছাঁ আৰু ৰুছ লেখক চেক্‌খভৰ প্ৰভাৱ মন কৰিবলগীয়া। *আৱাহনে* অসমীয়া গল্প সাহিত্যলৈ নমাই অনা ন ঢলত এই সকল সাহিত্যিকৰ চিন্তাধাৰা, অৱিহণা কিছু পৰিমাণে আছিল। ফলত অসমীয়া গল্পকাৰসকলেও নিজৰ ৰচনাত ব্যক্তিৰ মনোজগত, ব্যক্তিৰ অবচেতন জগতখন, নৰ-নাৰীৰ সম্পৰ্ক আৰু সমাজৰ সূক্ষ্মাতিসূক্ষ্ম দিশসমূহত মনোনিৱেশ কৰিবলৈ উৎসাহিত হৈছিল।

১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হয়। পোনতে এই মহাসমৰে পাশ্চাত্য-দেশসমূহত অশান্তি আৰু অস্থিৰতাৰ সৃষ্টি কৰি পিছত অৱলীলাক্ৰমে সমগ্ৰ বিশ্বতে সেই অশান্তি-অস্থিৰতাই প্ৰবল ৰূপ ধা�ৰণ কৰিলে। তদুপৰি বিয়াল্লিছৰ গণ বিপ্লৱে তাক দুগুণে বৃদ্ধি কৰি সমাজ জীৱন আতংকিত কৰি তুলিলে। দেশৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশলৈ ভাবুকি আৰু সংকট নামি আহিল। এনে অৱস্থাত *আৱাহনৰ* প্ৰকাশ পোনতে অনিয়মীয়া হৈ

পিছত বন্ধ হ'ল। ফলস্বৰূপে, *আৱাহন*ৰ লেখক গোষ্ঠীৰ সৃষ্টিৰ পথো ৰুদ্ধ হৈ পৰিল। যুদ্ধ শেষ হোৱাৰ পিছত সমাজ জীৱনলৈ লাহে লাহে স্বাভাৱিক অৱস্থা পুনৰ উভতি আহিল। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ইয়াত শিক্ষাৰ প্ৰসাৰ ঘটিবলৈ আৰম্ভ কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কৃষ্ণ ভূঞাৰ প্ৰকাশিত গল্প পুথিৰ নাম কি?

.....

প্ৰশ্ন নং ৪ ঃ আৱাহনৰ গল্পকাৰ ৰমা দাসৰ গল্প দেখা পোৱা দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৬.৪ নাটক

গুণাভিৰাম বৰুৱাৰ হাততে *ৰাম-নৱমী নাটক* (১৮৫৭) নামেৰে অসমীয়া নাটকৰ শুভাৰম্ভ ঘটছিল সেই কথা ইতিমধ্যে আপুনি অধ্যয়ন কৰি আহিছে। *জোনাকী* কাকত প্ৰকাশৰ আগলৈতে মাত্ৰ কেইখনমানহে নাটক ৰচনা হোৱাৰ কথা গম পোৱা যায়। সেই নাটক কেইখন হ'ল— হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ কীৰ্ত্তন* (১৮৬১), ৰুদ্ৰৰাম বৰদলৈৰ *বঙাল বঙালনী* (১৮৭১) আৰু ৰমাকান্ত চৌধুৰীৰ *সীতাহৰণ* আৰু *ৰাৱণ বধ* (১৯৭০-৮০)।

মধ্যযুগৰ বৈষ্ণৱ ধৰ্ম সাহিত্য আৰু অৰুনোদই যুগৰ খ্ৰীষ্ট ধৰ্ম প্ৰচাৰমুখী গণ্ডীৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি আহি প্ৰকৃত অৰ্থত ধৰ্ম-নিৰপেক্ষ সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠা আমাৰ আলোচ্য সময়ছোৱাত অসমীয়া নাটকেও ন-ৰূপেৰে উদ্ভাসিত হৈ উঠিল। কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে ইংৰাজী নাট্যকাৰ ছেইক্সপীয়েৰৰ আৰ্হিত ৰচিত বঙলা নাটকৰ অভিনয় চাই অভিভূত হৈ পৰে। তাৰ অনুপ্ৰেৰণাতেই অসমীয়া নাট লিখিবলৈ হাত দিয়ে। কলকাতাত অধ্যয়নৰত অসমীয়া ছাত্ৰ ঘনশ্যাম বৰুৱা, ৰমাকান্ত বৰকাকতী, ৰত্নধৰ বৰুৱা আৰু গুঞ্জানন বৰুৱাই সেই সময়তে শ্বেইক্সপীয়েৰৰ *কমেডী অৱ এৰৰচ* নাটখন অসমীয়ালৈ *ভ্ৰমৰংগ* নামেৰে অভিযোজনা কৰি কলকাতাত মঞ্চস্থ কৰে। *ভ্ৰমৰংগ* নাটখন অনুবাদ বুলি নকৈ অভিযোজনা কৰা বুলি কোৱা হৈছে এই কাৰণেই যে এইখন ইংৰাজীৰ *কমেডি অব এৰৰচ* নাটখনৰ হুবহু অনুবাদ নহয়। "ইংৰাজী পৰিৱেশৰ মাজতে অসমীয়া পৰিৱেশ সৃষ্টি কৰি লিখকসকলে ইংৰাজী নাটকৰ অসমীয়া ভাঙনিৰ এটা অভিনৱ কৌশল ইয়াতেই পোন প্ৰথমে দেখুৱালে।" কলকাতাৰ 'ভবানীচৰণ দত্ত লেন' আৰু 'মীৰ্জ্জাপুৰৰ ষ্ট্ৰীট'ত এই নাটখন প্ৰথমে অভিনীত হৈছিল। ১৮৯০ চনত 'পটুৱাটোল'ত ৰংগমঞ্চ পাতি ৰাজহুৱাভাৱে এই নাটখন মঞ্চস্থ কৰা হয়।

১৯০০ খ্ৰীঃত পদ্মনাথ গোহাঞিবৰুৱাই লিখি উলিয়ালে *জয়মতী* নামৰ নাটকখন। এইখন প্ৰথম অসমীয়া বুৰঞ্জীমূলক নাট। অৱশ্যে ইয়াৰ আগতেই *গাঁওবুঢ়া* (১৮৯৭) নাটেৰে তেওঁ অসমীয়া নাট্য ক্ষেত্ৰখনত ভুমুকি মাৰিছিল। পৰৱৰ্তীকালত গোহাঞিবৰুৱাই লিখি উলিয়ালে *গদাধৰ* (১৯০৭), *টেটোন তামুলী* (১৯০৯), *সাধনী* (১৯১০), *লাচিত বৰফুকন* (১৯১৫), *ভূত নে ভ্ৰম* (১৯২৪), *বাণৰজা* (১৯৩৩) আদি নাট। লক্ষ্মীনাথ বেজবৰুৱাইও ৰসৰ ভাণ্ডাৰ মেলি লিখি উলিয়ালে *লিতিকাই* (১৮৮৯), *নোমল*(১৯১৩), *পাঁচনি*(১৯১৩) আৰু *চিকৰপতি নিকৰপতি*(১৯১৩)। বুৰঞ্জীৰ কাহিনীৰ আলমত *চক্ৰধ্বজ সিংহ*(১৯১৫), *বেলিমাৰ*(১৯১৫), *জয়মতী কুঁৱৰী*(১৯১৫), *গদাধৰ ৰজা*(১৯১৮) আদি। এইসময়তে পদুম বৰুৱা, নবীন বৰদলৈ, ৰজনী বৰদলৈ, ৰত্নেশ্বৰ মহন্ত, বুধীন্দ্ৰনাথ ভট্টাচাৰ্য, বেণুধৰ ৰাজখোৱা, হৰেশ্বৰ শৰ্মা বৰুৱা, পূৰ্ণকান্ত দেৱশৰ্মা, দুৰ্গানাথ চাংকাকতী, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা আদিয়েও বিভিন্ন নাটক ৰচনা কৰিছিল। ইয়াৰে ভিতৰত পূৰ্ণকান্ত দেৱশৰ্মাৰ *হৰিচন্দ্ৰ নাটক*(১৮৯৩) বেণুধৰ ৰাজখোৱাৰ *সেউতি-কিৰণ* (১৮৯৪), মজিন্দাৰ বৰুৱাৰ *মহৰী* (১৮৯৬) আদি উল্লেখযোগ্য।

এইদৰে শতিকাটোৰ প্ৰথম দশকত পৌৰাণিক আখ্যানভিত্তিক, বুৰঞ্জীমূলক আৰু কিছু সামাজিক ভাবধাৰাৰ হাস্যৰসাত্মক বা ব্যংগাত্মক ৰচনাৰ মাজেদি অসমীয়া নাট্য সাহিত্যৰ ভেটি এটা গঢ় লৈ উঠে। এই শতিকাটোৰ প্ৰথমটো দশকতে চন্দ্ৰধৰ বৰুৱাই ৰচনা কৰে *মেঘনাদ বধ* (১৯০৪)। এই নাটখনৰ অসমীয়া পৌৰাণিক নাটৰ প্ৰগতিৰ প্ৰথমস্তম্ভ (milestone) বুলিব পাৰি বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে। কাৰণ এই নাটখনৰ বিষয়বস্তু আৰু ভাষা মাইকেল মধুসূদন দত্তৰ *মেঘনাদ বধ* কাব্যৰ পৰা চয়ন কৰা হৈছে যদিও অসমীয়া নাট্যকাৰে ইমান সাৱলীল তথা সুষমভাৱে অমিত্ৰাক্ষৰ ছন্দৰ প্ৰয়োগ কৰিছে যে সেয়া শলাগিবলগীয়া। তদুপৰি অসমীয়া নাট্য ইতিহাসত অমিত্ৰাক্ষৰ ছন্দ প্ৰয়োগৰ এয়াই প্ৰথম প্ৰয়াস।

এই শতিকাৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দশকত অসমীয়া নাট্য সাহিত্যৰ ধাৰাটো অধিক ঠন ধৰি উঠিল। তেওঁলোকৰ ভিতৰত মুঠ পঞ্চল্লিশখন নাটেৰে অতুলচন্দ্ৰ হাজৰিকাই আৰু নকুলচন্দ্ৰ ভূঞাই সাতখন নাটেৰে অসমীয়া নাট-নাটকৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়ালে। অতুলচন্দ্ৰ হাজৰিকা আৰু নকুলচন্দ্ৰ ভূঞাই এই সময়ছোৱাতে তেওঁলোকৰ নাট্য জীৱনৰ পাতনি মেলিছিল আৰু স্বৰাজোত্তৰ কালতো কেইবাখনো নাটেৰে অসমীয়া নাট্য ক্ষেত্ৰলৈ অৱদান আগবঢ়াইছিল। সেই সময়ৰ শ্ৰেষ্ঠ নাট্যকাৰসকলৰ ভিতৰত গণেশ গগৈ আছিল অন্যতম। তেওঁৰ *শকুনিৰ প্ৰতিশোধ* (১৯২৯) আৰু *কাশ্মীৰ কুমাৰী* (তৃতীয় সংস্কঃ ১৯৬৩) দুখন মঞ্চ সফল নাটক। এই সময়ত আৰু বহু নাট্যকাৰে অসমীয়া নাটৰ ভঁৰাল সমৃদ্ধ কৰিছিল। মিত্ৰদেৱ মহন্তই *কুকুৰীকণাৰ আঠমঙলা* (১৯১৭), *বৈদেহী বিয়োগ*(ৰ. ১৯৩০), *বিয়া বিপৰ্যয়*(১৯২৪); ইন্দ্ৰেশ্বৰ বৰঠাকুৰে *শ্ৰীবৎসচিন্তা* (১৯২৭); নবীনচন্দ্ৰ বৰদলৈয়ে *গৃহলক্ষ্মী* (১৯১১); দুৰ্গেশ্বৰ শৰ্মাই *পাৰ্থ পৰাজয়* (১৯০৯); পাৰ্বতিপ্ৰসাদ বৰুৱাই *সোণৰ সোলেঙ*(১৯১৯); কামাখ্যানাথ ঠাকুৰে *বেউলা*(১৯৩৩); দণ্ডিনাথ কলিতাই *সতীৰ তেজ* (১৯৩১); নকুলচন্দ্ৰ ভূঞাই *বদন বৰফুকন (১৯২৭), চন্দ্ৰকান্ত সিংহ (১৯৩১);* দৈৱচন্দ্ৰ তালুকদাৰে *বামুণীকোঁৱৰ (১৯২৯);* প্ৰসন্নলাল চৌধুৰীয়ে *নীলাম্বৰ*(১৯৩৩);

কমালানন্দ ভট্টাচার্যই *নগাকোঁৱৰ* (১৯৩৫); ৰাধানাথ সন্দিকৈয়ে *মুলাগাভৰু* (১৯২৪); পাজিৰুদ্দিন আহমেদে *গুলেনাৰ* (১৯২৪) আদি নাটক ৰচনা কৰি অসমীয়া নাট্য সাহিত্যলৈ ৰঙণি আগবঢ়ালে। এওঁলোকৰ উপৰি প্ৰাক্-স্বাধীনতাৰ কালছোৱাত পদ্মধৰ চলিহা, বিনন্দ চন্দ্ৰ বৰুৱা, কুমুদ চন্দ্ৰ বৰুৱা ইত্যাদি নাট্যকাৰসকলেও অসমীয়া নাটকৰ ক্ষেত্ৰখনক ত্বৰিত কৰিবলৈ সততে যত্নপৰ হৈছিল।

অৰুণোদয় পৰৱৰ্তীকালৰ আটাইতকৈ শক্তিশালী নাট্যকাৰজন হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া আধুনিক নাটৰ ধাৰাটোৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত নতুন সুঁতি গ্ৰহণ কৰিলে। *শোণিত কুঁৱৰী* (১৯২৫) নাটেৰে অসমীয়া নাট্য ক্ষেত্ৰত খোজ পেলোৱা জ্যোতিপ্ৰসাদে এই নাটখনত পৌৰাণিক আখ্যানটোত নতুন ভাব আৰু সৌন্দৰ্য আৰোপ কৰিলে। জ্যোতিপ্ৰসাদে এই নাটখনত অসমৰ থলুৱা গীত আৰু সু�ৰৰ সংযোজন কৰি অসমীয়া নাট-নাটকক নতুন ৰহন দিলে। জ্যোতিপ্ৰসাদে বাস্তৱবাদী চিন্তা চৰ্চা, অপূৰ্ব গীতিময়তা, ৰূপকধৰ্মিতা, ভাষাৰ সৌন্দৰ্য, বক্তব্যৰ প্ৰাসংগিকতা তথা বৈচিত্ৰ্যময়তাৰে অসমীয়া নাট্য ক্ষেত্ৰলৈ নতুনত্ব আদৰি অনাৰ কথা ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে। তেওঁ *ৰূপালীম* (১৯৩৬), *কাৰেঙৰ লিগিৰী* (১৯৩৭), *নিমাতী কইনা* (১৯৬৪), *লভিতা* (১৯৪৮) নাটেৰে অসমীয়া নাট্য সাহিত্যত বাস্তৱবাদী চিন্তা চৰ্চা আৰম্ভ কৰে। নাটৰ পৰিৱেশনগত দিশতো নতুনত্বৰ চাপ পৰিল। অৰ্থাৎ অসমীয়া আধুনিক নাটকে দ্বিতীয় এটি স্তৰত ভৰি দিলে। ই সময়ছোৱাতে অসমীয়া নাটকত সহ-অভিনয় আৰম্ভ হয়, ছন্দোবদ্ধ সংলাপৰ ঠাইত স্বাভাৱিক বাক্-ভংগী ব্যৱহৃত হয়। এনেদৰেই প্ৰাক্-স্বাধীনতা কালত অসমীয়া নাট-নাটকৰ ধাৰাটোৱে ব্যাপক ৰূপ লাভ কৰে।

মন কৰিবলগীয়া যে আমাৰ আলোচ্য সময়ছোৱাত শ্বেইক্সপীয়ে�ৰৰ নাটকৰ কৌশলসমূহৰ প্ৰতি অসমীয়া নাট্যকাৰসকল ইমানেই আকৰ্ষিত হৈ পৰিছিল যে বহু ক্ষেত্ৰত তেওঁলোকে শ্বেইক্সপীয়েৰৰ নাটকীয় কৌশলসমূহ যান্ত্ৰিকভাৱেই অনুসৰণ কৰিছিল। গতিকে আধুনিক নাটক ৰচনাৰ কৌশল অনুকৰণৰ স্তৰলৈ পৰ্যবসিত হোৱা দেখা গ'ল। শ্বেইক্সপীয়েৰৰ নাটকৰ সুসংহত ৰূপ, অন্তৰ্মুখী আবেদন আৰু কাব্যগন্ধী সৌন্দৰ্য অসমীয়া নাটকত পৰিস্ফুট নহ'ল। তথাপিও অসমীয়া নাটকত প্ৰয়োগ হোৱা নতুন দিশবোৰ হ'ল—

- পূৰ্বৰ ধৰ্মীয় ভাবাপন্ন অসমীয়া নাটকৰ ঠাই ল'লে মানৱীয় আবেদন আৰু বাস্তৱ ঘটনা সম্বলিত নতুন নাটকে।
- অঙ্কীয়া নাটৰ এক অঙ্ক বিশিষ্ট নাটকৰ পৰিৱৰ্তে কেবাটাও অঙ্ক বিশিষ্ট নতুন নাটকৰ জন্ম হ'ল।
- অঙ্কীয়া নাটৰ 'সূত্ৰধাৰ' চৰিত্ৰটি প্ৰায় বৰ্জিত হ'ল আৰু তাৰ ঠাই ল'লে মঞ্চ নিৰ্দেশনাই।
- অঙ্কীয়া নাটত ব্যৱহৃত 'ব্ৰজাৱলী' বা ব্ৰজবুলি ভাষা পৰিহাৰ কৰি তাৰ ঠাইত কথিত অসমীয়া ভাষা প্ৰয়োগ কৰা হ'ল।
- অঙ্কীয়া নাটৰ সংগীতময়তা আৰু কাব্যিক আবেদন লোপ কৰি নাটকৰ ঘটনা ক্ৰিয়াশীল আৰু সংঘাতময় কৰি তোলাৰ প্ৰয়াস দেখা গ'ল।

- সংঘাত এই নতুন নাটকৰ প্ৰধান উপজীব্য হৈ পৰিল।
- সংঘাতময় ঘটনা ৰূপায়িত হোৱা বাবে নাটকৰ চৰিত্ৰবোৰ বৈচিত্ৰ্যময় হৈ পৰিল।
- ধৰ্মীয় আবেষ্টনীৰ পৰা ওলাই আহি সামাজিক সমস্যাসম্ভূত কাহিনীৰ প্ৰতি নাট্যকাৰসকল আকৰ্ষিত হৈ পৰিল আৰু নাট্যকাৰসকলক সমাজ সংস্কাৰকৰ ভূমিকাত অৱতীৰ্ণ হোৱাও দেখা গ'ল।
- নতুন নাটকৰ কাহিনীত নাট্যকাৰসকলে পুৰাণ আৰু ইতিহাসৰ ঘটনাসমূহত নতুন পোহৰ পেলোৱাৰ চেষ্টা কৰিলে।
- আধুনিক নাটকত ট্ৰেজিক আৰু কমিক উপাদান সংযোজন হ'বলৈ ধৰিলে।
- নব্য নাটকৰ কাহিনীবোৰ ধৰ্মীয় গণ্ডীৰ পৰা আঁতৰি আহি বাস্তৱানুগ হ'বলৈ ধৰিলে। এইদৰে বিচাৰ কৰি চালে পৰম্পৰাগত অসমীয়া নাটকৰ পৰা আঁতৰি আহি আধুনিক নাটকে কেবাটাও নতুন দিশত ভৰি দিয়া দেখা গ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শ্বেইক্সপীয়েৰৰ কোনখন নাটক কোনে কোনে অসমীয়া ভাষালৈ পোনপ্ৰথমবাৰৰ বাবে অনুবাদ বা অভিযোজনা কৰিছিল?

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ গণেশ গগৈয়ে ৰচনা কৰা দুখন মঞ্চসফল নাটকৰ নাম উল্লেখ কৰক।

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চুটিগল্পৰ ক্ষেত্ৰত *জোনাকী* কাকতখন প্ৰকাশৰ সময়ত প্ৰকাশিত অসমীয়া চুটিগল্পখিনি আছিল ৰোমাণ্টিকধৰ্মী। অৱশ্যে কলা-কৌশলৰ ক্ষেত্ৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা নাছিল। পৰৱৰ্তী সময়ত *আৰাহন* কাকতৰ পাততহে অসমীয়া চুটিগল্পই এক বিশিষ্ট স্থানত উপৰিষ্ট হয়। সেই বাবেই সমালোচকসকলে *আৰাহনৰ* পাততে অসমীয়া চুটিগল্পই দ্বিতীয় এটা স্তৰত ভৰি দিলে বুলি মন্তব্য আগবঢ়াইছে।
- মধ্যযুগৰ বৈষ্ণৱ ধৰ্ম সাহিত্য আৰু অৰুনোদই যুগৰ খ্ৰীষ্ট ধৰ্ম প্ৰচাৰমুখী গণ্ডীৰ পৰা সম্পূৰ্ণৰূপে

আঁতৰি আহি প্ৰকৃত অৰ্থত ধৰ্ম-নিৰপেক্ষ সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠা আমাৰ আলোচ্য সময়ছোৱাত অসমীয়া নাটকেও ন-ৰূপেৰে উদ্ভাসিত হৈ উঠিল। কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে ইংৰাজী নাট্যকাৰ ছেইক্সপীয়েৰৰ আৰ্হিত ৰচিত বঙলা নাটকৰ অভিনয় চাই অভিভূত হৈ পৰে। তাৰ অনুপ্ৰেৰণাতেই অসমীয়া নাট লিখিবলৈ হাত দিয়ে। এই সময়ছোৱাত লিখা নাটকসমূহৰ চমু পৰিচিতি আপুনি লাভ কৰিলে।



৬.৬ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, হেমচন্দ্ৰ (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৫) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৬) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

৭) ভৰালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক* ; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৮) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১১) শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।



৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ *ময়না* আৰু *বাজীকৰ* এই গল্পপুথি দুখনৰ ৰচক হ'ল শৰৎ চন্দ্ৰ গোস্বামী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষ্ণ ভূঞাৰ প্ৰকাশিত গল্প পুথি *ফুল আৰু জাবৰ*।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰমা দাশৰ গল্প কোৱাৰ এটা নিজস্ব শৈলী আছে। কল্পনাৰ আধিক্য তেওঁৰ গল্পৰ মন কৰিবলগীয়া বিশেষত্ব। গল্পৰ চৰিত্ৰক সংবেদনশীল ৰূপত প্ৰকাশ কৰাৰ দক্ষতা তেওঁৰ আছে, কিন্তু চৰিত্ৰ চিত্ৰণত সাধাৰণতে বিচিত্ৰতাৰ অভাৱ লক্ষ্য কৰা যায়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কলকাতাত অধ্যয়নৰত অসমীয়া ছাত্ৰ ঘনশ্যাম বৰুৱা, ৰমাকান্ত বৰকাকতী, ৰত্নধৰ বৰুৱা আৰু গুঞ্জানন বৰুৱাই শ্ৱেইক্সপীয়েৰৰ *কমেডী অৱ এৰৰচ* নাটকখন পোনপ্ৰথমবাৰৰ বাবে অসমীয়ালৈ *ভ্ৰমৰংগ* নামেৰে অভিযোজনা কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গণেশ গগৈয়ে ৰচনা কৰা দুখন মঞ্চসফল নাটকৰ নাম *শকুনিৰ প্ৰতিশোধ* আৰু *কাশ্মীৰ কুমাৰী*।



৬.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ দণ্ডিনাথ কলিতাই লিখা গল্পপুথিখনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ *ভ্ৰমৰংগ* নাটকখন ক'ত কেতিয়া পোনপ্ৰথমে মঞ্চস্থ হৈছিল?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আৱাহনৰ সময়ৰ গল্পসমূহৰ দুটা উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন 2 ঃ চমুটোকা লিখক —

(ক) গল্পকাৰ শৰৎ চন্দ্ৰ গোস্বামী (খ) নাট্যকাৰ অতুলচন্দ্ৰ হাজৰিকা

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া চুটিগল্প সম্পৰ্কে এটি আলচ যুগুত কৰক।

প্ৰশ্ন ২ ঃ অৰুণোদয় পৰৱৰ্তীকালৰ অসমীয়া নাটক সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ *জোনাকী* আৰু *আৱাহন* কাকতক কেন্দ্ৰ কৰি সৃষ্টি হোৱা চুটিগল্পৰ এটি তুলনামূলক আলোচনা প্ৰস্তুত কৰক।

*** ***** ***